**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাইপ্ৰাছ ভ্ৰমণৰ সময়ত ভাৰত আৰু চাইপ্ৰাছৰ অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আগন্তুক লোকপিয়লৰ প্ৰস্তুতি সন্দৰ্ভত কালি নতুন দিল্লীত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

৩। আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ তদন্তকাৰী বিষয়াসকলে দুৰ্ঘটনাগ্ৰস্ত এয়াৰ ইণ্ডিয়া বিমানখনৰ দুয়োটা ব্লেক বক্স উদ্ধাৰ কৰিছে।

৪। ইজৰাইল আৰু ইৰাণৰ মাজত সংঘাত বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এছিয়াৰ বজাৰত খাৰুৱা তেলৰ মূল্য বৃদ্ধি পাইছে। ***আৰু***

৫। নিউয়ৰ্কত অনুষ্ঠিত ছুপাৰ ৰেলটাৰৱেইট বক্সিং প্ৰতিযোগিতাত ভাৰতৰ নিশান্ত দেৱে জ'ছু ছিলভাক পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাইপ্ৰাছ ভ্ৰমণৰ সময়ত লীমাচ্ছলত অনুষ্ঠিত এখন বাণিজ্যিক বৈঠক সম্বোধন কৰি চাইপ্ৰাছৰ সৈতে ভাৰতৰ অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ২৩ বছৰৰ ভিতৰত ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো চাইপ্ৰাছ ভ্ৰমণে অৰ্থনৈতিক সংযোগত ভাৰতৰ গুৰুত্বক প্ৰতিফলিত কৰে। তেওঁ লগতে কয়, যে চাইপ্ৰাছ ভাৰতৰ বিশ্বাসযোগ্য অংশীদাৰ আৰু দেশখনৰ পৰা ভাৰতলৈ উল্লেখনীয় বিনিয়োগ প্ৰবাহিত হৈছে। বহু ভাৰতীয় উদ্যোগৰ বাবে চাইপ্ৰাছ ইউৰোপৰ প্ৰৱেশদ্বাৰ বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশ দুখনৰ বৰ্তমানৰ দ্বিপাক্ষিক বাণিজ্য ১৫ কোটি ডলাৰ যদিও ভৱিষ্যতে ইয়াৰ পৰিমাণ বৃদ্ধি পোৱাৰ যথেষ্ট সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে সামুদ্ৰিক আৰু বন্দৰ উন্নয়ন, জাহাজ নিৰ্মাণ আদি খণ্ডত যথেষ্ট গুৰুত্ব আৰোপ কৰাৰ লগতে ইয়াৰ প্ৰসাৰৰ বাবে ন-ন নীতি গ্ৰহণ কৰিছে। সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা প্ৰৱৰ্তনে **এখন ৰাষ্ট্ৰ এটা কৰৰ** ধাৰণাক বাস্তৱায়িত কৰিলে বুলি তেওঁ মন্তব্য কৰে। বিগত এটা দশকত ভাৰতে ডিজিটেল বিপ্লৱৰ সাক্ষী হৈছে আৰু বিশ্বৰ ৫০ শতাংশ ডিজিটেল লেনদেন ইউপিআইৰ মাধ্যমেৰে ভাৰততে হয় বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

বৈঠকত আঞ্চলিক নিৰাপত্তা, ডিজিটেল খণ্ডৰ সহযোগিতা, শিক্ষা, বিনিয়োগ তথা বাণিজ্যকে ধৰি বিভিন্ন উল্লেখনীয় বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। ভাৰত আৰু চাইপ্ৰাছৰ মিত্ৰতাত এই ভ্ৰমণে তাৎপৰ্য বহন কৰাৰ লগতে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক, সাংস্কৃতিক, কৌশলগত মিত্ৰতা অধিক গভীৰ কৰি সহযোগিতাৰ নতুন দিগন্ত উন্মোচন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আগন্তুক লোকপিয়লৰ প্ৰস্তুতি সন্দৰ্ভত কালি নতুন দিল্লীত কেন্দ্ৰীয় গৃহ সচিব আৰু অন্যান্য উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। সামাজিক মাধ্যমত দিয়া এটা পোষ্টযোগে শ্ৰীশ্বাহে কয়, যে আজি লোকপিয়ল সম্পৰ্কীয় চৰকাৰী নিৰ্দেশনাৱলী প্ৰকাশ কৰা হ'ব। প্ৰথমবাৰৰ বাবে লোকপিয়লত জাতি গণনাৰ ব্যৱস্থা কৰা হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৩৪ লাখৰো অধিক গণনাকাৰী আৰু তত্বাৱধায়কৰ লগতে এক লাখ ৩০ হাজাৰৰো অধিক লোকপিয়লৰ কৰ্মীয়ে দেশজুৰি অভিযান চলাব। লোকপিয়লৰ প্ৰথম পৰ্যায়ত বাসগৃহ, বাসগৃহ অৱস্থা, সম্পত্তি আৰু বাসগৃহত থকা সেৱা-সুবিধাৰ তথ্য সংগ্ৰহ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা, প্ৰতিটো পৰিয়ালৰ প্ৰতিজন ব্যক্তিৰ আৰ্থসামাজিক, সাংস্কৃতিক আৰু অন্যান্য প্ৰয়োজনীয় তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। মোবাইল এপ্লিকেচনৰ যোগেদি এইবাৰ লোকপিয়ল কৰা হ'ব।

ooooo

আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ তদন্তকাৰী বিষয়াসকলে দুৰ্ঘটনাগ্ৰস্ত এয়াৰ ইণ্ডিয়া বিমানখনৰ **ক'কপিট ভইচ ৰেকৰ্ডাৰ ব্লেক বক্স** উদ্ধাৰ কৰা হৈছে বুলি নিশ্চিত কৰিছে। এই ব্লেক বক্সে বিমান দুৰ্ঘটনাটোৰ সম্ভাব্য কাৰণ বিচাৰি উলিওৱাত সহায় কৰিব। এই পৰ্যন্ত আহমেদাবাদৰ বিমান দুৰ্ঘটনাত ২৪১ জন যাত্ৰীসহ মুঠ ২৭০ জনৰ প্ৰাণহানি হৈছে। ইয়াৰ পূৰ্বে বিমান দুৰ্ঘটনা তদন্তকাৰী সংস্থা এএআইবিয়ে দুৰ্ঘটনাস্থলীৰ পৰা কেৱল ফ্লাইট ডাটা ৰেকৰ্ডাৰ- এফ ডি আৰ উদ্ধাৰ হৈছে বুলি নিশ্চিত কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰধান সচিব পি কে মিশ্ৰই কালি ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ৰাজ্যখনৰ আৰক্ষী বিভাগৰ মুৰববী বিকাশ সাহাইয়ে শ্ৰীমিশ্ৰক সবিশেষ অৱগত কৰে। তদুপৰি বিমান দুৰ্ঘটনা তদন্ত ব্যুৰোৰ এগৰাকী বিষয়াও তদন্তৰ অগ্ৰগতি সন্দৰ্ভত শ্ৰীমিশ্ৰক অৱগত কৰে। শ্ৰীমিশ্ৰই দুৰ্ঘটনাগ্ৰস্ত ছাত্ৰাবাসটোও পৰিদৰ্শন কৰে। ভাৰতৰ বিমান দুৰ্ঘটনা তদন্তকাৰী সংস্থাৰ লগতে আমেৰিকাৰ ৰাষ্ট্ৰীয় পৰিবহণ সুৰক্ষা ব'ৰ্ডেও এই ঘটনাৰ তদন্ত কৰিব। বিমানখনত থকা দুয়োটা ব্লেক বক্স উদ্ধাৰ হোৱাৰ পাছত দুৰ্ঘটনাৰ কাৰণ বিচৰাত সহজ হ'ব বুলি দুয়ো তদন্তকাৰী সংস্থাই আশা প্ৰকাশ কৰিছে।

ooooo

আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহতসকলৰ মৃতদেহ চিনাক্তকৰণ প্ৰক্ৰিয়া অব্যাহত আছে। ডি এন এ পৰীক্ষাৰ যোগেদি গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীসহ এই পৰ্যন্ত ৮০ জন যাত্ৰীৰ মৃতদেহ চিনাক্ত কৰা হৈছে বুলি হাস্পতাল কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ইতিমধ্যে ৩৩ গৰাকী যাত্ৰীৰ মৃতদেহ তেওঁলোকৰ পৰিয়ালবৰ্গক চমজাই দিয়া হৈছে। গুজৰাট চৰকাৰে প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ মৃত্যুৰ পাছত আজি ৰাজ্যিক শোক পালন কৰিছে। আজি সন্ধিয়া ৰাজকোটত ৰাজ্যিক মৰ্যাদাৰে প্ৰয়াত নেতাজনৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ব।

ooooo

ইজৰাইল আৰু ইৰাণৰ মাজত সৃষ্টি হোৱা যুদ্ধ উত্তেজনাৰ পৰিপ্ৰেক্ষিতত ইজৰাইলত থকা ভাৰতীয় দূতাবাসে নাগৰিকসকলৰ বাবে এলানি পৰামৰ্শ জাৰি কৰিছে। সামাজিক মাধ্যমযোগে দূতাবাসৰ এটা সূত্ৰই কয়, যে ইজৰাইলত থকা ভাৰতীয় ব্যৱসায়ী, পৰ্যটকৰ দল, শিক্ষাৰ্থী আৰু শ্ৰমিককে ধৰি সকলো ভাৰতীয় নাগৰিকৰ সৈতে দূতাবাস যোগাযোগত আছে। নাগৰিকসকলৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি দূতাবাসে প্ৰকাশ কৰিছে। ইজৰাইলত থকা ভাৰতীয় নাগৰিকৰ সুবিধাৰ্থে দূতাবাসে ৯৭২ ৫৪-৭৫২০৭১১ আৰু ৯৭২ ৫৪-৩২৭৮৩৯২ হেল্পলাইন নম্বৰ দুটা মুকলি কৰি দিছে।

ইপিনে ইৰাণৰ ৰাজধানী তেহৰাণত থকা ভাৰতীয় দূতাবাসেও কেতবোৰ পৰামৰ্শ জাৰি কৰাৰ লগতে ভাৰতীয় সকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে জনাইছে যে ভাৰতীয় শিক্ষাৰ্থীৰ কেইবাটাও গোটক ইতিমধ্যে ইৰাণৰ সুৰক্ষিত স্থানলৈ স্থানান্তৰিত কৰা হৈছে।

০০০০০

শেহতীয়াকৈ ইজৰাইল আৰু ইৰাণৰ মাজত সংঘাত বৃদ্ধি পোৱাৰ পিছত আজি এছিয়াৰ বজাৰত বিশ্বব্যাপী তেলৰ মূল্য বৃদ্ধি পায়। ইৰাণ আৰু ইজৰাইলৰ মাজত চলি থকা উত্তেজনাই মধ্যপ্ৰাচ্যৰ পৰা তেল ৰপ্তানিৰ ক্ষেত্ৰত ব্যাপকভাৱে ব্যাঘাত জন্মাব পৰা বৃহৎ আঞ্চলিক সংঘাতৰ বিষয়ত উদিগ্নতাৰ সৃষ্টি হৈছে।

ব্ৰেণ্ট খাৰুৱা তেলৰ মূল্য ২.৩ শতাংশ বৃদ্ধি পাই প্ৰতি বেৰেলত ৭৫ ডলাৰ আৰু ৯৩ চেণ্ট হয়।

০০০০০

ক্ষুদ্ৰ উদ্যোগীসকলক অধিক গুৰুত্ব দিয়াৰ বাবে মোডী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে দেওবাৰে প্ৰকাশ কৰে। লেহত অনুষ্ঠিত মুঠ প্ৰায় ৫ কোটি টকাৰ ঋণৰ অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচীত ভাষণ দি শ্ৰীমতী সীতাৰমণে আৰ্থিক অন্তৰ্ভুক্তি,আৰু লাডাখৰ অনন্য সাংস্কৃতিক পৰিচয়ক সম্প্ৰসাৰিত উন্নয়নমূলক কাঠামোত একত্ৰিত কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

এই অনুষ্ঠানত মুদ্ৰা, পিএম নিয়োগ সৃষ্টি কাৰ্যসূচী, ষ্টেণ্ড-আপ ইণ্ডিয়া আৰু পিএম বিশ্বকৰ্মাৰ দৰে গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় আঁচনিৰ অধীনত ৫.১৩ কোটিতকৈ অধিক ঋণ অনুমোদন প্ৰদান কৰা হয়। বিত্তমন্ত্ৰীয়ে আলোকপাত কৰে যে লাডাখত ৬৪ হাজাৰৰো অধিক মুদ্ৰা ঋণ আৰু ৬০০ৰো অধিক ষ্টেণ্ড-আপ ইণ্ডিয়া ঋণ অনুমোদন কৰা হৈছে, য'ত লেহ জিলাৰ যথেষ্ট অংশ আছে। তেওঁ লাডাখ চৰকাৰী ভাষা নিয়ন্ত্ৰণ আইনৰ অধীনত স্থানীয় ভাষাসমূহক স্বীকৃতি দিয়া আৰু পালি ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা আদিৰ দৰে শেহতীয়া পদক্ষেপসমূহৰ উদাহৰণ দাঙি ধৰে ,যিয়ে অঞ্চলটোৰ চহকী ঐতিহ্যক প্ৰতিফলিত কৰে। কেন্দ্ৰীয় চৰকাৰে অঞ্চলটোত শিক্ষাৰ সুবিধাৰ উন্নতিৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলিও বিত্ত মন্ত্ৰী গৰাকীয়ে আলোকপাত কৰে।

শ্ৰীমতী সীতাৰমণে ভাৰতনেট কাৰ্য্যসূচী মোবাইল নেটৱৰ্ক সম্প্ৰসাৰণ, আৰু সেউজ হাইড্ৰজেন প্ৰকল্পকে ধৰি আন্তঃগাঁথনি, ডিজিটেল সংযোগ, আৰু নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ ৰূপৰেখাও এই অনুষ্ঠানত উল্লেখ কৰে।

০০০০০

ভাৰতে ছিডছ (এছএমইএছৰ দক্ষ বিকাশৰ বাবে সঁজুলি যোগান) পদক্ষেপৰ অধীনত চুৰিনামলৈ পেচন ফ্ৰুট প্ৰচেছিঙৰ বাবে দ্বিতীয় আৰু অন্তিম খেপত যন্ত্ৰপাতি প্ৰেৰণ কৰিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমৰ এটা  পোষ্টত কয় যে ইয়াৰ লক্ষ্য হৈছে চুৰিনামৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আৰু কৃষকৰ আয় বৃদ্ধি কৰা। এই প্ৰকল্পৰ জৰিয়তে ভাৰত-চুৰিনামৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় হ'ব বুলি মন্ত্ৰালয়ে লগতে উল্লেখ কৰে।

ooooo

বক্সিংত ভাৰতীয় খেলুৱৈ নিশান্ত দেৱে নিউয়ৰ্কৰ মেডিচন স্কোৱাৰ গাৰ্ডেনত অনুষ্ঠিত ছুপাৰ ৱেলটাৰৱেইটত বিচাৰকৰ সৰ্বসন্মতিক্ৰমে সিদ্ধান্তৰ জৰিয়তে জোছু ছিলভাক ৬০-৫৪ ব্যৱধানত পৰাস্ত কৰি দ্বিতীয়খন পেছাদাৰী যুঁজত জয়লাভ কৰে। শেহতীয়াকৈ পেছাদাৰী খেলত অংশগ্ৰহন কৰিবলৈ লোৱা ২৪ বছৰীয়া নিশান্ত দেৱে চলিত বৰ্ষৰ জানুৱাৰী মাহত এলটন উইগিন্সৰ বিৰুদ্ধে জয়লাভ কৰি অভিষেক খেলত জয়লাভ কৰিছিল। ২০২৪ বৰ্ষৰ পেৰিছ অলিম্পিকৰ কোৱাৰ্টাৰ ফাইনেলত নিশান্তই মেক্সিকোৰ মাৰ্কো ভাৰ্ডেৰ হাতত পৰাস্ত হৈছিল।

ooooo

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে দেশৰ পশ্চিম উপকূলত অতিপাত বৰষুণৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ৰেড এলাৰ্ট জাৰি কৰিছে। আকাশবাণী নিউজৰ সতে হোৱা কথা-বতৰাত বতৰ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামণীয়ে কয় যে আগন্তুক দুদিনত দিল্লী, হাৰিয়ানা, পঞ্জাৱ, আৰু গুজৰাটত ধুমুহা বতাহ আৰু বিজুলীৰ ঢেৰেকনী সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে কয় যে দিল্লীকে ধৰি উত্তৰ-পশ্চিম ভাৰতত সৰ্বোচ্চ উষ্ণতা কালি উদ্বেগজনকভাৱে হ্ৰাস পাইছে।

ooooo

সমাপ্ত